জাতিৰ আৱেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

শতিতম বছৰ, সংখ্যা ৩৩৭ ● বৃহস্পতিবাৰ ● ৩০ শাওণ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday August 15, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

## 'বন্দে মাতৰম'
## ্য প্ৰতিযোগিতা

৪ আগষ্ট ঃ লখিমপুৰ জিলাৰ বেচৰকাৰী
আগষ্টত স্বাধীনতা দিৱসৰ লগত সংগতি
বিদ্যালয়ত 'বন্দে মাতৰম' গীতত নৃত্য
ছ। কাৰ্যসূচীৰ পুৱা দহ বজাৰ পৰা লালুক
ক্ষাগৃহত এই নৃত্য প্ৰতিযোগিতাত অনুষ্ঠিত
মাতাৰ মাল্যাৰ্পণে কাৰ্যসূচীৰ আৰম্ভ হ'ব।
যোগিতা অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্য
সম চৰকাৰৰ কলাক্ষেত্ৰ সমাজৰ সচিব
দিষ্ট বক্তাৰূপে ভাষণ আগবঢ়াব লালুক
ধ্যক্ষ গোলাপ বৰুৱাই। নৃত্যৰ দলটোত
ীয়ে মাৰ্জিত পোচাকেৰে নৃত্য পৰিৱেশন
কলো ৰাইজৰ সহায়-সহযোগিতা আৰু
লখিমপুৰ জিলা সমিতিৰ সভাপতি গিৰিশ
তাপন শইকীয়া আৰু মণি বৰগোহাঁয়ে।

## কানৈ মহাবিদ্যালয়ত স্বাধীনতা দিৱস

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৪ আগষ্ট ঃ ডি এইচ এছ কানৈ মহাবিদ্যালয়ত শিল্পী, সাংবাদিক,অধ্যাপক, কৰ্মচাৰী, পৰিৱেশ কৰ্মীক সম্বৰ্ধনাৰে ৭৮সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সম্পন্ন হৈছে। চৰকাৰৰ নিৰ্দেশনা অনুসৰি মহাবিদ্যালয়খন নিয়ন লাইটেৰে সজাই তোলা হৈছে। স্বাধীনতা দিৱস উপলক্ষে ডিব্ৰুগড় চহৰৰ জ্যেষ্ঠ সাংবাদিক পৰেশ আইন্দ, হৰেন সোণোৱাল, হাচিম আলী, মুক্তামণি হাজৰিকা, হিৰণ্য কৌশিক, জ্যোতিষ পাতিৰ, প্ৰশান্ত শইকীয়া, দিবাকৰ দত্ত, হোমেন ফুকন, ইমৰান আলী, শ্বাহ নাৱাজ আহমেদক সম্বৰ্ধনা জনোৱাৰ উপৰি বৈচিত্ৰ্য ধৰিত্ৰী নামেৰে পৰিৱেশ অনুষ্ঠান এটা গঢ়ি জনসাধাৰণৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰি অহা পৰিৱেশ কৰ্মী কিৰণ গগৈৰ লগতে বিশিষ্ট শিল্পী ভুৱন গগৈ, জিতেন দাস আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক মোহন তামুলীক সম্বৰ্ধনা জনোৱা হ'ব। মহাবিদ্যালয়খনৰ এমহীয়া গ্ৰীষ্ম বন্ধৰ আটাইকেইদিন মহাবিদ্যালয়খনৰ হকে নিস্বাৰ্থভাৱে সেৱা আগবঢ়োৱা উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বিৰাজ দত্ত, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক অংশুমান বৰঠাকুৰৰ লগতে মহাবিদ্যালয়খনৰ কৰ্মচাৰী অপূৰ্ব শৰ্মা, মহাবিদ্যালয়ৰ গ্ৰীন ক্লাবৰ সৈতে জড়িত হৈ মহাবিদ্যালয়খনৰ বিভিন্ন দিশত কাম কৰি অহা দেৱাৰু ভূঞা, দীপজ্যোতি ফুকন, ৰঞ্জিত বৈৰাগী, বনজিৎ ডেকা, চন্দ্ৰ সন্দিকৈ, নিতুল দত্ত, মিলিন্দা মানক সম্বৰ্ধনা জনোৱা হ'ব।

## ধুমুহাৰ তাণ্ডৱ

ৰাজগড়ঃ নিজা প্ৰতিবেদক,১৪ আগষ্টঃ টিংখাঙত প্ৰচণ্ড ধুমুহাৰ ফলত টিংখাং সমষ্টিৰ বহুকেইটা অঞ্চলত বিস্তৰ ক্ষতিসাধন হয়। ক্ষতিগ্ৰস্তৰ কাষত উপস্থিত হৈছে মন্ত্ৰী বিমল বৰা। বুধবাৰে পুৱা অহা প্ৰচণ্ড ধুমুহাত টিংখাং সমষ্টিৰ অন্তৰ্গত ধমন, কচলু, ১ নং কুলিপথাৰ, আঘোণীবাৰী, ঘুটুংছিগা, লেঙেৰী আদি অঞ্চলত বিস্তৰ ক্ষতিসাধন হয়। বহু লোকৰ ঘৰ-দুৱাৰ সম্পূৰ্ণৰূপে ভাঙি তচ-নচ কৰে ধুমুহাই। পথৰ ওপৰত বাগৰিল প্ৰকাণ্ড প্ৰকাণ্ড গছ। যাৰ ফলত অঞ্চলটোত যাতায়াত ব্যৱস্থা আৰু বিদ্যুৎ যোগান ব্যৱস্থাও ব্যাহত হৈ পৰিছে। ঘটনাস্থলীত বিমল বৰা উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে।

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ,
কদমণি নিবাসী সৰবৰহী
আগষ্টত হৃদৰোগৰ আক্ৰ
ডিব্ৰুগড়ত জন্ম গ্ৰহণ ক
মহাবিদ্যালয়ৰ পৰা স্নাতক
হিচাপে বাছিলয়। দাসে ডিব্ৰ
সেই ব্যৱসায়ৰ সৈতে জে
অঞ্চলটোত শোকৰ ছাঁ পৰে
৪ গৰাকী ভগ্নীৰ লগতে অ

## মৰাণত ড্ৰা

মৰাণ ঃ নিজা সংবাদদাতা,
যুৱকক আটক কৰে আৰ
কৰ্মচাৰী মনোজ তামুলী
তালাচী চলাই থকাৰ সম
যুৱকজনৰ পৰা।

## বান্দৰদেৱাত

## লক্ষাধিক